**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-07-2026 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গুৱাহাটী মহানগৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ উন্নয়নমূলক প্ৰকল্প পৰিদৰ্শন।

২। ডিব্ৰুগড়ত বিজেপিৰ পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অংশগ্ৰহণ।

৩। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ নাৰায়ণপুৰৰ মাধৱদেৱ বিশ্ববিদ্যালয়ৰ শৈক্ষিক, প্ৰশাসনিক আৰু আন্তঃগাঁথনিৰ পৰ্যালোচনা।

আৰু

৪। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত আজি নিশা নৰৱে ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ উন্নয়নমূলক প্ৰকল্প পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰথমে জালুকবাৰীত থকা ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থ পৰিদৰ্শন কৰি সাংবাদিকৰ আগত কয়, যে বিশ্ববন্দিত শিল্পীগৰাকীৰ স্মৃতিসৌধক তেওঁৰ সৃষ্টি আৰু কৰ্মৰাজিৰ সৈতে সামঞ্জস্য থকাকৈ কিছু সাল-সলনি কৰা হ'ব। ড° শৰ্মাই কয়, যে এই সমন্বয়ক্ষেত্ৰত অগমেণ্টেদ ৰিয়েলিটি, ভাৰ্চুৱেল ৰিয়েলিটিৰ দৰে উন্নত প্ৰযুক্তি সংযোজিত কৰা হ'ব। ইয়াৰ জৰিয়তে দৰ্শনাৰ্থীয়ে ডিজিটেল ব্যৱস্থাৰে শিল্পীগৰাকীৰ ছবিৰ সৈতে ছেলফি উঠা আৰু গীতৰ অনুশীলন কৰাৰ সুবিধা লাভ কৰিব। ডিজিটেল প্ৰযুক্তিৰ জৰিয়তে নৱ প্ৰজন্মক সুধাকণ্ঠৰ সৃষ্টিৰাজিৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে এনে পদক্ষেপ লোৱা হৈছে বুলি ড° শৰ্মাই উল্লেখ কৰে। তেওঁ লগতে এই সমন্বয় ক্ষেত্ৰত এখন মুকলি মঞ্চ নিৰ্মাণ কৰা হ'ব বুলিও জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয়, যে সমন্বয় ক্ষেত্ৰখন পৰিচালনাৰ বাবে এখন চৰকাৰী সমিতি গঠন কৰা হ'ব আৰু এই সমিতিয়ে সুধাকণ্ঠৰ জন্মবাৰ্ষিকী আৰু মৃত্যু তিথিৰ উপৰি বছৰৰ সকলো সময়তে তেওঁৰ সৃষ্টিৰাজিৰ চৰ্চাৰে এই ক্ষেত্ৰখনক সজীৱ কৰি ৰাখিব।

বাইট

মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ পল্টনবজাৰত নিৰ্মীয়মান অসম আৰক্ষী ৰিজাৰ্ভ চৌহদৰ পুনৰ নিৰ্মাণ কাৰ্যৰো পৰ্যালোচনা কৰে। তেওঁ কয়, যে ৬০৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই আৰক্ষী চাউনীত ৬ শতাধিক আৰক্ষী পৰিদৰ্শক, উপ-পৰিদৰ্শক আৰু জোৱানৰ বাবে থকাৰ সুবিধা থাকিব। তদুপৰি এখন বিদ্যালয়, এটা মন্দিৰ, এটা নামঘৰ আৰু এখন খেলপথাৰো থাকিব। এই প্ৰকল্পৰ অংশ হিচাপে পাণবজাৰত ৪২ গৰাকী আৰক্ষী বিষয়া থাকিব পৰা এটা আবাসিক ভৱন নিৰ্মাণ কৰি থকা হৈছে বুলি ড° শৰ্মাই জানিবলৈ দিয়ে।

ইয়াৰ পাছত তেওঁ অসম ৰাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যান পৰিদৰ্শন কৰি ইয়াক দেশৰ আগশাৰীৰ চিৰিয়াখানাৰ সমকক্ষ কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে ৩৬০ কোটি টকা ব্যয়সাপেক্ষে চলি থকা আধুনিকীকৰণৰ কামৰ পৰ্যালোচনা কৰে। তেওঁ লগতে বন্যপ্ৰাণীৰ চোৰাং সৰবৰাহকাৰীৰ পৰা উদ্ধাৰ কৰা তিনিটা ৰঙা পাণ্ডাৰ স্বাস্থ্যৰ বুজ লয়।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ভাৰতীয় জনতা পাৰ্টীয়ে ডিব্ৰুগড়ৰ মাণ্ডলিক কাৰ্যালয়ত আয়োজিত পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযানত অংশগ্ৰহণ কৰি দলীয় কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। শ্ৰী সোণোৱালে এই মহা অভিযানৰ সৈতে সংগতি ৰাখি এখন প্ৰদৰ্শনী মুকলি কৰে। তেওঁ কয়, যে ভাৰতীয় জনতা পাৰ্টীয়ে পণ্ডিত দীনদয়াল উপাধ্যায়ৰ দৰ্শনক সাৰোগত কৰি জনমুখী ৰাজনীতিৰ ধাৰা আগুৱাই লৈ গৈছে। এনে প্ৰশিক্ষণ কাৰ্যসূচীত দলীয় কৰ্মকৰ্তাসকলক সেৱা আৰু সমৰ্পণৰ প্ৰতি অধিক দায়বদ্ধ কৰি তোলাত সহায় কৰিব বুলি শ্ৰী সোণোৱালে মন্তব্য কৰে। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ তেৰছ গোৱালা, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনকে ধৰি দলৰ জ্যেষ্ঠ নেতাসকল উপস্থিত থাকে।

০০০০০০০

ডিমা হাছাও জিলাত পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদে পৰ্যটন আৰু সংস্কৃতি বিভাগৰ সহযোগত চলিত মাহৰ প্ৰতি শুকুৰ আৰু শনিবাৰে বিভিন্ন পৰ্যটনস্থলীত পৰম্পৰাগত মহোৎসৱৰ আয়োজন কৰিছে। জিলাখনৰ জনগোষ্ঠীসমূহৰ চহকী সংস্কৃতি, লোক পৰম্পৰা আৰু জীৱন শৈলী প্ৰদৰ্শনৰ লক্ষ্যৰে উত্তৰ কাছাৰ পাহাৰ স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত কালিৰেপৰা হাফলং হ্ৰদৰ সমীপত ডিমাহাচাও জনজাতি মহোৎসৱ অনুষ্ঠিত হৈছে। পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই কালি এই অনুষ্ঠান উদ্বোধন কৰে। মহোৎসৱত বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য, সাজ-পোছাক, হস্তশিল্পৰ সামগ্ৰী আদিৰ বিপণী স্থাপন কৰা হৈছে। তদুপৰি, বিভিন্ন জনজাতীয় সম্প্ৰদায়ৰ লোকনৃত্য আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ইয়াৰ জৰিয়তে স্থানীয় উদ্যোগী, শিল্পী আৰু ব্যৱসায়ীসকলক বিপণনৰ সুযোগ প্ৰদান কৰি আৰ্থিক বিকাশত সহায়ৰ লগতে জিলাখনৰ পৰ্যটন উদ্যোগ শক্তিশালী হৈ উঠিব বুলি শ্ৰী গাৰ্লোছাই আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে গ্ৰীষ্মবন্ধৰ সময়ত জিলাখনত পৰ্যটকৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত পৰ্যটনক অধিক আকৰ্ষণীয় কৰি তোলাৰ উদ্দেশ্যে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। অহা ১৭ আৰু ১৮ জুলাইত ডিমা হাছাও ভিউ পইণ্ট আৰু জাতিংগাত, ২৪ আৰু ২৫ জুলাইত উমৰাংছ' গল্ফ খেল পথাৰত আৰু ৩১ জুলাই আৰু পহিলা আগষ্টত জাতিংগা পৰ্যটন কেন্দ্ৰত এই মহোৎসৱ অনুষ্ঠিত কৰা হ'ব।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি লখিমপুৰৰ নাৰায়ণপুৰৰ মাধৱদেৱ বিশ্ববিদ্যালয় পৰিদৰ্শন কৰি বিশ্ববিদ্যালয়খনৰ শৈক্ষিক, প্ৰশাসনিক আৰু আন্তঃগাথনিৰ অগ্ৰগতি পৰ্যালোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে গুণগত উচ্চ শিক্ষাৰ সম্প্ৰসাৰণৰ লক্ষ্যৰে ২০১৯ চনত বিশ্ববিদ্যালয়লৈ উন্নীত কৰা পূৰ্বৰ মাধৱদেৱ মহাবিদ্যালয়খনৰ বৰ্তমানৰ আন্তঃগাথনি যথেষ্ট উন্নত হৈছে। বিশ্ববিদ্যালয়খনত সম্প্ৰতি ১৫ টা স্নাতক আৰু ১১ টা স্নাতকোত্তৰ পাঠ্যক্ৰম, পি এইচ ডি গৱেষণাৰ সুবিধা আছে। ডাঃ পেগুৱে ২০২৬-২৭ বৰ্ষৰ ৰাজ্যিক বাজেটত বিশ্ববিদ্যালয়খনৰ অতিৰিক্ত আন্তঃগাথনি উন্নয়নৰ বাবে ৫০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ ৰখা হৈছে বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষক অৱগত কৰে। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ বাবে প্ৰয়োজন হোৱা অতিৰিক্ত ভূমি, নতুন বিভাগ মুকলি তথা ল'ৰা-ছোৱালীৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিৱাসৰ সংখ্যা বৃদ্ধিৰ দৰে বিষয়সমূহ তেওঁ অতি সোনকালে বিধায়ক ভূপেন বৰাৰ সৈতে আলোচনা কৰিব বুলি আশ্বাস দিয়ে। শিক্ষামন্ত্ৰীগৰাকীক মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক অৰূপজ্যোতি চৌধুৰী, পঞ্জীয়ক ড° ক্ষীৰপদ দত্তকে ধৰি অন্যান্য অধ্যাপকসকলে সংগ দিয়ে।

০০০০০০০

আজি বিশ্ব জনসংখ্যা দিৱস। মাতৃ আৰু শিশুৰ সুস্বাস্থ্য সুনিশ্চিত কৰিবলৈ অনিচ্ছাকৃত গৰ্ভধাৰণ ৰোধ আৰু গৰ্ভধাৰণৰ ব্যৱধান বজাই ৰখাৰ প্ৰয়োজনীয়তাক মূলমন্ত্ৰ হিচাপে লৈ দেশৰ আন আন ৰাজ্যৰ দৰে অসমতো বিস্তৃত কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। কামৰূপ মহানগৰ জিলাৰ ধীৰেণপাৰা FRU ত জিলা অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ ভূপেন্দ্ৰ কুমাৰ ভূঞাই এই দিৱসৰ সপ্তাহজোৰা কাৰ্যসূচী মুকলি কৰে। এই কাৰ্যসূচীত পৰিয়াল পৰিকল্পনাৰ ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা ৩ গৰাকী আশাকৰ্মীক সম্বৰ্ধনা জনোৱা হয়। অহা ১৮ জুলাই লৈকে চলিবলগীয়া জনসংখ্যা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি পৰিয়াল পৰিকল্পনাৰ স্থায়ী আৰু অস্থায়ী পদ্ধতিসমূহৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে জিলা স্বাস্থ্য সমিতিয়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। জিলাখনৰ আশাকৰ্মীসকলে সম্ভাব্য দম্পত্তিৰ ঘৰে ঘৰে গৈ পৰিয়াল পৰিকল্পনাৰ অস্থায়ী সামগ্ৰীৰ লগতে প্ৰচাৰ পত্ৰিকা বিতৰণ কৰিব।

শোণিতপুৰ জিলাৰ বিহাগুৰি ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত গটলং পঞ্চায়তৰ সন্মিলন কক্ষত জিলা পৰ্যায়ত আজি এই দিৱসৰ সপ্তাহজোৰা কাৰ্যসূচী মুকলি কৰা হয়। পৰিয়াল পৰিকল্পনা সম্পৰ্কে সজাগতা বৃদ্ধিৰ লক্ষ্যৰে ১৮ জুলাইলৈ চলিবলগীয়া এই কাৰ্যসূচীত জিলা প্ৰশাসনে কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰিছে।

ডিব্ৰুগড় ৰাজ্যিক চিকিৎসালতো আজিৰে পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে এই দিৱস অনুষ্ঠিত হৈছে। এই দিৱসৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় নগৰ অঞ্চলৰ ৩ গৰাকী আশাকৰ্মীক সম্বৰ্ধনা জনোৱা হয়।

বৰপেটা জিলাৰ চেঙা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত জিলা পৰ্যায়ত এই দিৱস পালন কৰা হয়। অনুষ্ঠানত বিশ্ব জনসংখ্যা দিৱসৰ তাৎপৰ্য, পৰিয়াল পৰিকল্পনাৰ গুৰুত্ব, মাতৃ আৰু শিশুৰ স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগে ৰূপায়ন কৰা বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়।

দক্ষিণ শালমাৰা মানকাছৰৰ জিলা যুটীয়া সঞ্চালকৰ কাৰ্যালয়তো এই দিৱস পালন কৰা হয়। দিৱসৰ সৈতে সংগতি ৰাখি জিলা স্বাস্থ্য বিভাগৰ সহযোগত মাতৃ আৰু শিশুৰ কল্যাণ বিষয়ক বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে পৰিয়াল পৰিকল্পনা সেৱা শক্তিশালীকৰণত উৎকৃষ্ট প্ৰদৰ্শন কৰা কেইবাটাও স্বাস্থ্য কেন্দ্ৰক সম্বৰ্ধনা জনোৱা হয়।

মৰিগাওঁ মহাবিদ্যালয়তো জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত এই দিৱস পালন কৰা হয়। ৭০ গৰাকী এন চি চি কেডেটে পৰিয়াল পৰিকল্পনাৰ সন্দৰ্ভত সজাগতামূলক অনুষ্ঠানত অংশ লয়।

পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো দিনজোৰা কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। মুকলি ভাষণত স্বাস্থ্য বিষয়া ডাঃ দূৰ্গেশ্বৰ ইংতিয়ে পৰিয়াল পৰিকল্পনাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে। জিলাখনৰ উম্পানাই, জিৰিকেন্দেং আৰু হামৰেণতো এই দিৱস পালন কৰা হয়।

০০০০০০০

শিৱসাগৰ জিলাৰ ডিমৌ পৌৰসভাৰ উদ্যোগত ‘প্ৰতিঘৰ স্বচ্ছ, প্ৰতিঘৰ সুস্থ’ শীৰ্ষক চাৰি মাহজোৰা স্বচ্ছতা অভিযান আজি জলসম্পদ আৰু ন্যায়িক বিভাগৰ মন্ত্ৰী সুশান্ত বৰগোহাঁইয়ে মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে নগৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ ক্ষেত্ৰত জনসাধাৰণৰ সক্ৰিয় সহযোগিতা কামনা কৰে। তেওঁ কয়, যে এই অভিযানৰ জৰিয়তে পৌৰসভাৰ প্ৰতিটো ৱাৰ্ড আৰু প্ৰতিটো ঘৰ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ বাবে সু-সংগঠিত পৰিকল্পনা ৰূপায়ণ কৰা হ'ব। অভিযানৰ অন্তত স্বচ্ছতাৰ মানৰ ভিত্তিত শ্ৰেষ্ঠ ৱাৰ্ড আৰু শ্ৰেষ্ঠ পৰিয়ালক ডিমৌ পৌৰসভাৰ তৰফৰ পৰা পুৰস্কৃত কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰী বৰগোহাঁইয়ে আজি ডিমৌ পৌৰসভাই নতুনকৈ স্থাপন কৰা খোৱাপানী যোগান প্ৰকল্পটোও মুকলি কৰে।

০০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন কোৱাৰ্টাৰ ফাইনেলত  আজি নিশা নৰৱে ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মায়ামী ষ্টেডিয়ামত  খেলখন ভাৰতীয় সময় অনুসৰি নিশা আঢ়ৈ বজাত আৰম্ভ হ'ব। ইপিনে ভাৰতীয় সময় অনুসৰি কাইলৈ পুৱা চাৰে ছয় বজাত হ'বলগীয়া আন এখন কোৱাৰ্টাৰ ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন আৰ্জেণ্টিনা ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

স্পেইন আৰু ফ্ৰান্স ইতিমধ্যে প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰিছে। স্পেইনে যোৱানিশা বেলজিয়ামক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰাৰ লগতে ফ্ৰান্সে মৰক্কোক ২-০ গ'লত পৰাস্ত কৰি চেমিফাইনেলত প্ৰৱেশ কৰে।

০০০০০০০

**সমাপ্ত**